এইচডিএফচি বেঙ্ক জমা একাউণ্টবোৰৰ বাবে নাগৰিক সংহিতা

এইচডিএফচি বেঙ্ক

আমি বুজি পাওঁ আপোনাৰ সংসাৰ

প্ৰস্তাৱনা

বেঙ্কৰ এটা মুখ্য কাৰ্য্য হৈছে ঋণ দিয়াৰ উদ্দেশ্যৰ বাবে ৰাইজৰ পৰা জমা গ্ৰহণ কৰা। দৰাচলতে, জমাকৰ্তা সকল হৈছে বেঙ্কিং প্ৰণালীৰ মুখ্য অংশীদাৰ। জমাকৰ্তাসকল আৰুতেওঁলোকৰ হিত হৈছে ভাৰতত বেঙ্কিঙ্গ বাবে নিয়ামক পৰিকাঠামোৰ মুখ্য ক্ষেত্ৰ আৰু ইয়াক বেঙ্কিং অধিনিয়ম আইন, ১৯৪৯ চনত স্থাপন কৰা হৈছে। জমাৰ ওপৰত সূত আৰুজমা একাউণ্ট পৰিচালনা সম্পৰ্কে অন্যান্য বিষয়ত সময়ে সময়ে নিৰ্দেশনা / উপদেশ জাৰি কৰাৰ অধিকাৰ ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ আছে। বিত্তীয় প্ৰণালীৰ উদাৰীকৰণ আৰু সূতৰ হাৰৰ অ-নিয়ন্ত্ৰিতকৰণৰ সৈতে, বেঙ্কবোৰ এতিয়া ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ বহল নিৰ্দেশনাৱলীৰ ভিতৰত জমা আঁচনিবোৰ প্ৰস্তুত কৰাৰ বাবে মুক্ত।

জমাৰ ওপৰত এই নীতি দস্তাবেজত বেঙ্কে আগবঢ়োৱা বিভিন্ন জমা আঁচনিৰ গঠন আৰু একাউণ্টৰ পৰিচালনা নিয়ন্ত্ৰণ কৰা চৰ্তাৱলী আৰু নিয়মাৱলী উল্লেখ কৰা হৈছে। এই দস্তাবেজে জমাকৰ্তা সকলৰ অধিকাৰৰ স্বীকৃতি দিয়ে আৰু ৰাইজৰ পৰা জমা গ্ৰহণৰ বিভিন্ন বিষয় সম্পৰ্কে তথ্য, বিভিন্ন জমা একাউণ্টৰ পৰিচালন আৰু সঞ্চালন, বিভিন্ন জমা একাউণ্টৰ ওপৰত সূত পৰিশোধ, জমা একাউণ্ট বন্ধ কৰা, মৃতকৰ জমাকৰ্তাৰ জমা নিষ্কাশনৰ পদ্ধতি, ইত্যাদিৰ বিষয়ে তথ্য গ্ৰাহক সকলৰ হিতৰ বিষয়ে প্ৰচাৰ কৰাৰ উদ্দেশ্য ৰাখে। এয়া আশা কৰা হৈছে যে এই দস্তাবেজে গাইগুটিয়া গ্ৰাহকসকলৰ সৈতে লেনদেনত অধিক স্বচ্ছতা আনিব আৰু গ্ৰাহকসকলৰ মাজত তেওঁলোকৰ অধিকাৰবোৰৰ বিষয়ে সজাগতা সৃষ্টিকৰিব। চুড়ান্ত উদ্দেশ্যটো হৈছে যে গ্ৰাহকে দাবী নকৰাকৈ তেওঁলোকে পোৱাৰ অধিকাৰ থকা সেৱা প্ৰাপ্তকৰিব।

এই দস্তাবেজ হৈছে এক বহল পৰিকাঠামো যাৰ অধীনত সাধাৰণ জমাকৰ্তাসকলৰ অধিকাৰৰ স্বীকৃতি দিয়া হৈছে। বিভিন্ন জমা আঁচনি আৰু সম্পৰ্কিত সেৱা সম্পৰ্কে বিতং সঞ্চালন নিৰ্দেশনা সময়ে সময়ে জাৰি কৰি থকা হ'ব। এই নীতি গ্ৰহণ কৰি গ্ৰাহকৰ প্ৰতি বেঙ্কৰ প্ৰতিশ্ৰুতি সংহিতাত ব্যাখ্যা কৰা অনুসৰি বেঙ্কে গাইগুটিয়া গ্ৰাহকসকলৰ প্ৰতি ইয়াৰ প্ৰতিশ্ৰুতি দোহাৰিছে।

জমা একাউণ্টৰ প্ৰকাৰসমূহ

যদিও বেঙ্কে আগবঢ়োৱা বিভিন্ন জমা আঁচনিবোৰক বিভিন্ন নাম দিয়া হৈছে, জমা একাউণ্টবোৰক বহল ভাৱে নিম্নলিখিত প্ৰকাৰবোৰত শ্ৰেণীবদ্ধ কৰিব পাৰি। মুখ্য জমা আঁচনিবোৰৰ বৰ্ণনা নিম্নলিখিত ধৰণৰ:-

ক) ''দাবী জমা''ৰ অৰ্থ হৈছে বেঙ্কে প্ৰাপ্তকৰা এক জমা যাক দাবী কৰি উলিয়াব পাৰি

খ) ''সঞ্চয় জমা''ৰ অৰ্থ হৈছে ডিমাণ্ড জমাৰ এক প্ৰকাৰ বিশ্লেষণ যিকোনো নিৰ্ধাৰিত সময়ৰ ভিতৰত বেঙ্কৰ দ্বাৰা অনুমোদিত ধনৰাশি উলিওৱাৰ সংখ্যা আৰুলগতে উলিওৱা পৰিমাণৰ ওপৰত সীমা সাপেক্ষে ।

গ) ''ম্যাদী জমা''ৰ অৰ্থ হৈছে এক স্থিৰ ম্যাদৰ বাবে বেঙ্কে প্ৰাপ্তকৰা জমা যাক কেৱল স্থিৰ ম্যাদটো উকলি যোৱাৰ পিছত উলিয়াব পাৰি আৰু ইয়াত অন্তৰ্ভুক্ত থাকে পুনৰাৱৰ্তী / দুগুণ লাভালাভ জমা / চমু জমা / ফিক্সড জমা / মাহিলী উপাৰ্জন প্ৰমাণ পত্ৰ / তিনিমহীয়া উপাৰ্জন প্ৰমাণ পত্ৰ ইত্যাদি।

ঘ) ''জাননী জমা''ৰ অৰ্থ হৈছে এক নিৰ্দিষ্টম্যাদৰ বাবে ম্যাদী জমা কিন্তু কমেও এক বেঙ্কিং দিনৰ জাননী দি উলিয়াব পাৰি।

ঙ) ''চলিত একাউণ্ট'' হৈছে এক প্ৰকাৰৰ দাবী জমা, য'ত একাউণ্টত জমা থকা পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰি বা এক নিৰ্দিষ্ট সম্মত পৰিমাণলৈ যিকোনো সংখ্যক টকা উলিওৱাৰ অনুমতি দিয়া হয় আৰু লগতে ইয়াত অন্যান্য জমা একাউণ্ট অন্তৰ্ভুক্ত থাকিব যি সঞ্চয় একাউণ্টো নহয়, ম্যাদী একাউণ্টো নহয়।

একাউণ্ট খোলা আৰু জমা একাউণ্টৰ সঞ্চালন

ক) বেঙ্কে যিকোনো জমা একাউণ্ট খোলাৰ আগতে ভাৰতীয় ৰিজাৰ্ভ বেঙ্কে জাৰী কৰা ''নো য়ুৰ কাষ্টমাৰ'' (কে.ৱাই.চি.) আৰু / বা বেঙ্কে ৰূপায়ণ কৰা এনে ধৰণৰ আন কোনো নিয়ম বা প্ৰণালী অনুসৰি যথোচিত মূল্যাঙ্কন কৰিব। যদি এক সম্ভাব্য জমাকৰ্তাৰ একাউণ্ট খোলাৰ বাবে উচ্চতৰ পৰ্যায়ত অনুমোদনৰ প্ৰয়োজন হয়, একাউণ্ট খোলাত হোৱা যিকোনো পলমৰ কাৰণ তেওঁক অৱগত কৰা হ'ব আৰু বেঙ্কৰ অন্তিম নিৰ্ণয় তেওঁক যিমান সম্ভৱ সোনকালে জনোৱা হ'ব।

খ) সাম্ভাব্য জমাকৰ্তা সকলক একাউণ্ট খোলা প্ৰপত্ৰ আৰুঅন্যান্য সামগ্ৰী বেঙ্কে প্ৰদান কৰিব। ইয়াত প্ৰদান কৰিবলগা তথ্য আৰু সত্যাপনৰ বাবে আৰু/ বা নথিভুক্ত কৰাৰ বাবে দাখিল কৰিবলগা নথিপত্ৰবোৰৰ বিষয়ে বিতং বিৱৰণ থাকিব। সাম্ভাব্য জমাকৰ্তাই জমা একাউণ্ট এটা খোলাৰ বাবে আহোঁতে প্ৰক্ৰিয়াগত আনুষ্ঠানিকতাবোৰ বৰ্ণনা কৰা আৰু জানিব বিচৰা কথাবোৰ বুজাই দিয়াৰ দায়িত্ব হৈছে একাউণ্টটো খোলা বেঙ্কৰ বিষয়াজনৰ।

গ) সঞ্চয় একাউণ্ট আৰু চলিত একাউণ্টৰ দৰে জমা আঁচনিৰ বাবে, এনে একাউণ্ট পৰিচালিত কৰা চৰ্তাৱলী আৰু নিয়মাৱলী অনুসৰি সাধাৰণতে বেঙ্কে একাউণ্টত বাহাল ৰাখিব লগা কিছুমান নিম্নতম / গড় বেলেঞ্চ নির্ধাৰণ কৰি দিব। একাউণ্টত নির্ধাৰিত নিম্নতম / গড় বেলেঞ্চবাহাল ৰখাত অসমর্থ হ'লে বেঙ্কে সময়ে সময়ে নির্ধাৰণ কৰা অনুসৰি জৰিমনা মাচুল আদায় কৰা হ'ব। সঞ্চয় বেঙ্ক একাউণ্টৰ বাবে বেঙ্কে এক নির্দিষ্টসময়ৰ বাবে লেনদেনৰ সংখ্যা, নগদ ধন উলিওৱা আদিৰ ওপৰত নিষেধাজ্ঞাও আৰোপ কৰিব পাৰে। একেদৰে, বেঙ্কে চেক বহী জাৰি কৰা, একাউণ্টৰ অতিৰিক্ত বিবৃতি, নকল পাছ বুক, ফলিঅ' মাচুল আদিৰ বাবে মাচুল নির্ধাৰিত কৰিব পাৰে। একাউণ্ট পৰিচালনাৰ বাবে চৰ্তাৱলী আৰুনিয়মাৱলী আৰুপ্রদান কৰা বিভিন্ন সেৱাৰ বাবে মাচুল অনুসূচী সম্পর্কিত এনে সকলো বিৱৰণ একাউণ্ট খোলাৰ সময়ত সাম্ভাব্য গ্রাহকক অৱগত কৰা হ'ব।

ঘ) সঞ্চয় বেঙ্ক একাউণ্ট যোগ্য ব্যক্তি / ব্যক্তিসকল আৰুকিছুমান সংগঠন / বিভাগে খুলিব পাৰে (সময়ে সময়ে ভাৰতীয় ৰিজার্ভ বেঙ্কে জাৰী কৰা পৰামর্শ সাপেক্ষে)। এই একাউণ্টবোৰ গাইগুটিয়া লোকসকলক (ব্যক্তিগত গ্রাহক) ধন সঞ্চয়ৰ অভ্যাস গঢ়াৰ বাবে আৰুতেওঁলোকৰ ভৱিষ্যতৰ ধনৰ প্রয়োজনীয়তা পূৰোৱাত সহায় কৰাৰ বাবে প্রস্তুত কৰা হৈছে। পৰিমাণবোৰ এই একাউণ্টত জমা দিব পাৰি / একাউণ্টৰ পৰা চেক/এটিএম যোগে ধন উলিয়াব পাৰি। ই গ্রাহকসকলক ঘৰত নিম্নতম নগদ ধন ৰখাত সহায় কৰাৰ উপৰিও সূত অর্জন কৰে। চলিত একাউণ্ট ব্যক্তি / অংশীদাৰী প্রতিষ্ঠান / প্রাইভেট আৰুপাব্লিক লিমিটেড কোম্পানী / হিন্দু অবিভক্ত পৰিয়াল / নির্ধাৰিত সংস্থা / চ'ছাইটি / ট্রাষ্টআদিয়ে খুলিব পাৰে। ম্যাদী জমা একাউণ্ট ব্যক্তি / অংশীদাৰী প্রতিষ্ঠান / প্রাইভেট আৰুপাব্লিক লিমিটেড কোম্পানী / হিন্দু অবিভক্ত পৰিয়াল / নির্ধাৰিত সংস্থা / চ'ছাইটি / ট্রাষ্টআদিয়ে খুলিব পাৰে। বিভিন্ন শ্রেণীৰ লোকৰ প্রয়োজনীয়তা আৰু আকাংক্ষা পূৰণ কৰাৰ বাবে বেঙ্কে বিভিন্ন জমা আঁচনি প্রস্তুত কৰিছে।

ঙ) জমা একাউণ্ট এটা খোলোঁতে পালন কৰা উপযুক্ত মূল্যাঙ্কন প্রক্রিয়াৰ ভিতৰত আছে ব্যক্তিজনৰ পৰিচয়ৰ বিষয়ে সন্তুষ্ট হোৱা, ঠিকনাটো প্রমাণিত কৰা, তেওঁৰ জীৱিকা আৰু উপার্জনৰ উৎসৰ বিষয়ে সন্তুষ্ট হোৱা ইত্যাদি। বেঙ্কৰ বাবে গ্রহণযোগ্য ব্যক্তি এজনৰ পৰা সাম্ভাব্য জমাকর্তা এজনৰ পৰিচয় প্রাপ্তকৰা আৰুএকাউণ্টটো খোলা ৰ চলোৱা ব্যক্তিজনৰ (সকলৰ) শেহতীয়া ফটোগ্রাফ সংগ্রহ কৰাটো উপযুক্ত মূল্যাঙ্কন প্রক্রিয়াৰ অংশ।

চ) উপযুক্ত মূল্যাঙ্কন প্রক্রিয়াৰ উপৰিও, কেৱাইচি নিয়মাৱলীৰ অধীনত বেঙ্কে আইন অনুসৰি পার্মানেণ্ট একাউণ্ট নম্বৰ (পি.এ.এন.) বা জেনেৰেল ইনডেক্স নম্বৰ বা তাৰ সলনি আয়কৰ অধিনিয়ম ৰ নিয়মাৱলীত নির্ধাৰিত কৰা অনুসৰি প্রপত্র নং. ৬০ বা ৬১-ত ঘোষণা প্রাপ্ত কৰিব লাগিব।

ছ) জমা একাউণ্টবোৰ ব্যক্তি এজনে তেওঁৰ নিজৰ নামত (স্থিতি : একক নামত একাউণ্ট বুলি জনা হোৱা) বা এজনতকৈ অধিক ব্যক্তিয়ে তেওঁলোকৰ নিজৰ নামত (স্থিতি : যুগ্ম একাউণ্ট বুলি জনা হোৱা) খুলিব পাৰে। সঞ্চয় বেঙ্ক একাউণ্ট নাবালক এজনে প্রাকৃতিক অভিভাৱক বা মাকৰ সৈতে অভিভাৱক হিচাপে যুগ্মভাৱে খুলিব পাৰে (স্থিতি: নাবালকৰ একাউণ্ট বুলি জনা হোৱা)। ১২ বছৰৰ অধিক বয়সৰ নাবালকসকলক স্বতন্ত্র ভাৱে সঞ্চয় বেঙ্ক একাউণ্ট খোলাৰ অনুমতিও দিয়া হ'ব।

জ) যুগ্ম একাউণ্ট চলোৱা: একাধিক ব্যক্তিয়ে খোলা যুগ্ম একাউণ্ট এজন ব্যক্তিৰ দ্বাৰা বা এজনতকৈ অধিক ব্যক্তিৰ দ্বাৰা যুগ্মভাৱে চলাব পাৰি। আটাইকেইজন একাউণ্ট ধাৰকৰ সম্মতিত একাউণ্টটো চলোৱাৰ অধিকাৰ সংশোধন কৰিব পাৰি। প্রাকৃতিক অভিভাৱক ৰ অভিভাৱকৰ সৈতে নাবালকে যুগ্মভাৱে খোলা সঞ্চয় বেঙ্ক একাউণ্ট কেৱল প্রাকৃতিক অভিভাৱকেহে চলাব পাৰে।

ঝ) যুগ্ম একাউণ্ট ধাৰকসকলে ওপৰোক্ত একাউণ্টবোৰৰ বেলেঞ্চৰ নিষ্পত্তিৰ বাবে নিম্নলিখিত যিকোনো এটা নির্দেশনা দিব পাৰে:

ক) দুজনৰ যিকোনো এজন বা জীৱিত জন: যদি একাউণ্টটো দুজন লোকৰ নামত আছে, যেনে ধৰক ক আৰুখ, চূড়ান্ত বেলেঞ্চৰ পৰিমাণটো সূতৰ সৈতে, যদি প্রযোজ্য হয়, একাউণ্ট ধাৰকসকলৰ যিকোনো এজনৰ মৃত্যু হ'লে বাছি থকাজনক পৰিশোধ কৰা হব।

খ) যিকোনো এজন বা জীৱিত ৰসকল: যদি একাউণ্টটো দুজনতকৈ বেছি লোকৰ নামত আছে, যেনে ধৰক ক, খ আৰুগ, চূড়ান্ত বেলেঞ্চৰ পৰিমাণটো সূতৰ সৈতে, যদি প্রযোজ্য হয়, একাউণ্ট ধাৰকসকলৰ যিকোনো দুজনৰ মৃত্যু হ'লে বাছি থকাজনক পৰিশোধ কৰা হব।

ওপৰোক্ত নির্দেশনাবোৰ ম্যাদী জমাৰ ম্যাদপুর্তিৰ তাৰিখত বা তাৰ পিছতহে প্রযোজ্য হ'ব। এই নির্দেশনা সকলোবোৰ একাউণ্ট ধাৰকৰ সম্মতিত সংশোধন কৰিব পাৰি।

ঞ) জমাকর্তাৰ অনুৰোধত, তেওঁৰ হৈ আন এজন ব্যক্তিক একাউণ্টটো চলাবলৈ কর্তৃত্ব প্রদান কৰা নির্দেশনা ৰ পাৱাৰ অফ এটর্নী পঞ্জীভুক্ত কৰিব।

ট) ম্যাদী জমা একাউণ্ট ধাৰকসকলে তেওঁলোকৰ জমা দাখিল কৰাৰ সময়ত ম্যাদপুর্তিৰ তাৰিখত জমা একাউণ্ট বন্ধ কৰা বা আৰু অধিক ম্যাদৰ বাবে নৱীকৰণ কৰাৰ নির্দেশনা দিব পাৰে। ম্যাদী জমাৰ নিষ্পত্তিৰ বিষয়ে কোনো লিখিত নির্দেশনাৰ অনুপস্থিতিত, জমা পৰিমাণটো সঞ্চিত সূতৰ সৈতে ম্যাদপুর্তি হোৱা জমাটোৰ সমান ম্যাদৰ বাবে সেই সময়ত বাহাল থকা সূতৰ হাৰত নৱীকৰণ কৰাৰ অধিকাৰ বেঙ্কৰ থাকিব।

ঠ) একাউণ্টটো খোলাৰ চৰ্তাৱলী আৰু নিয়মাৱলী অনুসৰি সময়ে সময়ে সঞ্চয় বেঙ্ক আৰু চলিত জমা একাউণ্ট ধাৰকসকলক একাউণ্টৰ বিবৃতি প্ৰদান কৰা হব। সকলো সঞ্চয় বেঙ্ক একাউণ্ট ধাৰকৰ বাবে বিনামূলীয়াকৈ পাছ বুকৰ সুবিধা উপলব্ধ।

ড) জমা একাউণ্টবোৰ জমাকৰ্তাৰ অনুৰোধত বেঙ্কৰ আন যিকোনো শাখালৈ স্থানান্তৰ কৰিব পাৰি।

মনোনয়ন সুবিধা

বেঙ্কে জমা একাউণ্ট, চেফ ডিপজিট লকাৰ, সুৰক্ষিত জিম্মাত সামগ্ৰী আদিৰ বাবে মনোনয়ন সুবিধা আগবঢ়ায়। ব্যক্তিসকলে খোলা সকলো জমা একাউণ্টৰ বাবে মনোনয়ন সুবিধা উপলব্ধ। মনোনয়ন কেৱল এজন ব্যক্তিৰ নামতহে কৰিব পাৰি। এনেদৰে কৰা মনোনয়ন একাউণ্ট ধাৰক/সকলে যিকোনো সময়তে বাতিল বা সলনি কৰিব পাৰে। গ্ৰাহকৰ বুঢ়া আঙুলিৰ চাপ দি মনোনয়ন কৰোঁতে, বা পিছত বাতিল বা সলনি কৰোঁতে, কমেও দুজন সাক্ষীৰ স্বাক্ষৰৰ প্ৰয়োজন। একাউণ্ট ধাৰক/সকলৰ সম্মতিত মনোনয়ন সংশোধন কৰিব পাৰি। নাবালকৰ মাজতো মনোনয়ন কৰিব পাৰি কিন্তু নাবালক হৈ থকালৈকে অভিভাৱক হিচাপে এজন প্ৰাপ্তবয়স্কৰ নাম দিব লাগিব।

বেঙ্কে পৰামৰ্শ দিয়ে যে সকলো জমাকৰ্তাই মনোনয়ন সুবিধাৰ ব্যৱহাৰ কৰা উচিত। জমাকৰ্তা/সকলৰ মৃত্যুৰ ক্ষেত্ৰত মনোনীত ব্যক্তিজনে আইনী উত্তৰাধিকাৰী সকলৰ ট্ৰাষ্টি হিচাপে একাউণ্টত জমা থকা পৰিমাণটো প্ৰাপ্ত কৰিব। জমাকৰ্তাক জমা একাউণ্ট এটা খোলাৰ সময়ত মনোনয়ন সুবিধাৰ লাভালাভবোৰ জনোৱা হব।

সূত পৰিশোধ

ক) সঞ্চয় জমা একাউণ্টৰ ওপৰত বেঙ্কে সময়ে সময়ে নিৰ্ধাৰিত কৰা হাৰত সূত পৰিশোধ কৰা হ'ব, সঞ্চয় বেঙ্ক সুতৰ যাৰ অনিয়ন্ত্ৰিত কৰাৰ পিছত ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ সাম্প্ৰতিক নিৰ্দেশনা অনুসৰি সূতৰ হাৰ নিৰ্ধাৰণ কৰা হ'ব। ১ এপ্ৰিল ২০১০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ অৰ্ধ বাৰ্ষিক ব্যৱধানত দৈনিক গুণফল আধাৰত সূত পৰিশোধ কৰা হ'ব।

খ) ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ নিৰ্দেশনা অনুসৰি, ম্যাদী জমাৰ বাবে জমাৰ ম্যাদৰ ওপৰত আধাৰিত কৰি বেঙ্কে নিৰ্ধাৰণ কৰা হাৰত তিনিমাহৰ ব্যৱধানত সূত গণনা আৰু পৰিশোধ কৰা হব। মাহিলী জমা আঁচনিৰ ক্ষেত্ৰত, সূত তিনিমাহৰ বাবে গণনা কৰা হ'ব আৰুএক ৰেহাই হাৰত মাহিলী পৰিশোধ কৰা হব। ভাৰতীয় বেঙ্ক সংগঠনে উপদেশ দিয়া সূত্ৰ আৰু পদ্ধতি অনুসৰি ম্যাদী জমাৰ ওপৰত সূত গণনা কৰা হ'ব।

গ) জমাবোৰৰ সূতৰ হাৰ শাখা পৰিসৰত ভালদৰে দেখাকৈ প্ৰদৰ্শিত কৰা হ'ব। জমা আঁচনি আৰু অন্যান্য সম্পৰ্কিত সেৱাবোৰত যদি কোনো পৰিৱৰ্তন কৰা হয়, সেই বিষয়ে আগতীয়াকৈ জনোৱা হ'ব আৰু স্পষ্টভাৱে দেখাকৈ প্ৰদৰ্শিত কৰা হ'ব।

ঘ) বেঙ্কে বছৰ এটাত প্ৰকৃত দিনৰ ওপৰত আধাৰিত কৰি সূত গণনা কৰে। যদি জমা এটা লিপ বছৰ আৰুঅনা-লিপ বছৰত বিয়পি পৰে, সূত প্ৰকৃত দিনৰ সংখ্যাৰ ওপৰত আধাৰিত কৰি গণনা কৰা হয়, অৰ্থাৎ লিপ বৰ্ষত ৩৬৬ দিন আৰু অনা-লিপ বৰ্ষত ৩৬৫ দিন।

ঙ) যদি এজন জমাকৰ্তাৰ সকলো ম্যাদী জমাত পৰিশোধ কৰা / কৰিবলগা মুঠ সূতৰ পৰিমাণ আয়কৰ অধিনিয়মত উল্লেখ কৰা পৰিমাণৰ অধিক হয় তেনেহ'লে উৎসত কৰ কৰ্তন কৰাটো হৈছে বেঙ্কৰ আইনী দায়বদ্ধতা। কৰ্তন কৰা কৰৰ পৰিমাণৰ বাবে বেঙ্কে এক উৎসত কৰ কৰ্তন কৰা প্ৰমাণ পত্ৰ (TDS প্ৰমাণ পত্ৰ) জাৰী কৰিব। যদি জমাকৰ্তাজন TDS-ৰ পৰা ৰেহাই পোৱাৰ বাবে যোগ্য তেনেহ'লে তেওঁ প্ৰতিটো বিত্তীয় বৰ্ষৰ আৰম্ভণিত নিৰ্ধাৰিত প্ৰপত্ৰত ঘোষণা দাখিল কৰিব পাৰে।

নাবালকৰ একাউণ্ট

ক) নাবালক এজনে সঞ্চয় বেঙ্ক একাউণ্ট খুলিব পাৰে আৰু ইয়াক প্ৰাকৃতিক অভিভাৱক এজনে বা যদি নাবালক জন ১২ বছৰৰ ওপৰৰ হয় তেনেহ'লে নিজেচলাব পাৰে। এই একাউণ্ট যুগ্ম ভাৱেও খুলিব পাৰি।

খ) প্ৰাপ্তবয়স্ক হোৱাৰ পিছত, সেই আগৰ নাবালকজনে তেওঁৰ একাউণ্টত থকা বেলেঞ্চ নিশ্চিত কৰিব লাগে আৰু যদি একাউণ্টটো প্ৰাকৃতিক অভিভাৱক ৰ অভিভাৱক এজনে চলায়, নাবালকজনৰ নতুন চানেকী স্বাক্ষৰ প্ৰাকৃতিক অভিভাৱকে প্ৰমাণিত কৰাৰ পিছত প্ৰাপ্ত কৰা হব আৰুসকলো কাৰ্য্যকৰী প্ৰক্ৰিয়াৰ বাবে নথিভুক্ত কৰি ৰখা হব।

নিৰক্ষৰ / অন্ধলোকৰ একাউণ্ট

বেঙ্কে ইয়াৰ সিদ্ধান্ত অনুসৰি নিৰক্ষৰ লোকৰ বাবে চলিত একাউণ্টৰ বাহিৰে আন একাউণ্ট খুলিব পাৰে। এনে একাউণ্ট তেতিয়াহে খোলা হব যদি ব্যক্তিজনে বেঙ্কলৈ ব্যক্তিগত ভাৱে সাক্ষী এজনৰ সৈতে আহে যাক জমাকৰ্তা আৰু বেঙ্ক দুয়ো চিনি পায়। সাধাৰণতে, এনে সঞ্চয় বেঙ্ক একাউণ্টৰ বাবে চেক বুকৰ সুবিধা প্ৰদান কৰা নহয়। টকা উলিওৱা / জমা টকা /বা সূত ঘূৰাই লোৱাৰ সময়ত, একাউণ্ট ধাৰকজনে কৰ্তৃত্বশীল

বিষয়াৰ উপস্থিতিত তেওঁৰ বুঢ়া আঙুলিৰ চাপ দিব আৰু সেই বিষয়াজনে ব্যক্তিগত পৰিচয় প্ৰমাণিত কৰিব। বেঙ্কে একাউণ্ট ধাৰকক প্ৰদান কৰা পাছবুক আদিৰ সঠিক যত্ন আৰুসুৰক্ষিত ভাৱে ৰখাৰ প্ৰয়োজনীয়তাৰ বিষয়ে বুজাই দিব। স্বাক্ষৰ অন্ধলোকৰ ক্ষেত্ৰত, এটিএম/ডেবিট কার্ড, চেক বহী আৰুসুবিধা প্ৰদান কৰা হ'ব। বেঙ্কৰ বিষয়াই একাউণ্টটোৰ সৈতে প্ৰাসঙ্গিক চৰ্তাৱলী আৰুনিয়মাৱলী বাখ্যা কৰিব।

যুগ্ম একাউণ্ট ধাৰকৰ নাম যোগ দিয়া বা বিলোপ কৰা

যদি পৰিস্থিতিৰ বাবে প্ৰয়োজন হয় তেতিয়া বেঙ্কে আটাইকেইজন যুগ্ম একাউণ্ট ধাৰকৰ অনুৰোধত যুগ্ম একাউণ্ট ধাৰকৰ নাম যোগ দিব বা বিলোপ কৰাৰ অনুমতি দিব পাৰে বা এজন গাইগুটীয়া জমাকৰ্তাক যুগ্ম একাউণ্ট ধাৰক হিচাপে আন এজন ব্যক্তিৰ নাম যোগ দিয়াৰ অনুমতি দিব পাৰে।

গ্ৰাহক তথ্য

গ্ৰাহকৰ পৰা সংগ্ৰহ কৰা গ্ৰাহক তথ্যবোৰ বেঙ্ক, ইয়াৰ অধীনস্থ আৰুসহযোগী প্ৰতিষ্ঠানবোৰৰ দ্বাৰা অন্যান্য সেৱা বা আঁচনি বিক্ৰী কৰাৰ বাবে ব্যৱহাৰ কৰা নহ'ব। যদি বেঙ্কে এনে তথ্য ব্যৱহাৰ কৰাৰ প্ৰস্তাৱ ৰাখে, ই কেৱল একাউণ্ট ধাৰকৰ অনুমতিতহে হ'ব লাগিব।

গ্ৰাহকৰ একাউণ্টৰ গোপনীয়তা

বেঙ্কে গ্ৰাহকৰ স্পষ্টবা অস্পষ্টঅনুমতি অবিহনে গ্ৰাহকৰ একাউণ্ট সম্পৰ্কীয় বিৱৰণ / তথ্য তৃতীয় ব্যক্তি বা পক্ষক অৱগত নকৰে। অৱশ্যে ইয়াত কিছুমান ব্যতিক্ৰম আছে, যেনে আইনৰ অধীনত তথ্য অৱগত কৰা, য'ত অৱগত কৰাৰ দায়িত্ব থাকে আৰু বেঙ্কৰ হিতৰ বাবে প্ৰকাশ কৰা প্ৰয়োজন হয়।

ম্যাদী জমাৰ ম্যাদপুৰ্তিৰ আগতে আহৰণ

বেঙ্কে জমাকৰ্তাৰ অনুৰোধত, জমা দাখিল কৰাৰ সময়ত সম্মতি দিয়া চৰ্তাৱলী অনুসৰি জমাৰ ম্যাদ সম্পূৰ্ণ হোৱাৰ আগতে ম্যাদী জমাৰ ধন উলিওৱাৰ অনুমতি দিব। অগ্ৰাধিকাৰ হাৰত জমা কৰা ম্যাদী জমাৰ বাবে আংশিক আহৰণ অনুমোদিত নহয়।

ম্যাদপুৰ্তিৰ পূৰ্বে বন্ধকৰাৰ বাবে প্ৰযোজ্য সূতৰ হাৰ হ'ব নিম্নলিখিতবোৰৰ যিটোৱে কম হয় সেইটো:

- জমা দাখিল কৰা ম্যাদৰ বাবে প্ৰযোজ্য মূল / চুক্তিবদ্ধআধাৰ হাৰ বা
- বেঙ্কৰ ওচৰত জমা থকা সময়ৰ বাবে প্ৰযোজ্য আধাৰ হাৰ।

১ কোটি টকাৰ কম পৰিমাণৰ জমাৰ বাবে আধাৰ হাৰ হৈছে জমা কৰা দিনৰ তাৰিখলৈ প্ৰযোজ্য হাৰ।

৫ কোটি টকাতকৈ অধিক পৰিমাণৰ জমাৰ বাবে আধাৰ হাৰ হৈছে জমা কৰা তাৰিখত ৫ কোটি টকাৰ জমাৰ বাবে প্ৰযোজ্য হাৰ।

এনে ম্যাদপুৰ্তিৰ পুৰ্বে আহৰণৰ বাবে, চুইপ-ইন আৰু আংশিক আহৰণ সহ, বেঙ্কে প্ৰযোজ্য হাৰৰ ওপৰত ১% জৰিমনা আৰোপ কৰিব।

দেয় ম্যাদী জমাৰ নৱীকৰণ

যেতিয়া ম্যাদী জমা এটাৰ ম্যাদপুৰ্তিৰ সময়ত নৱীকৰণ কৰা হয়, ম্যাদপুৰ্তিৰ তাৰিখত জমাকৰ্তাই নিৰ্ধাৰিত কৰা ম্যাদৰ বাবে প্ৰযোজ্য সূতৰ হাৰটো নৱীকৰণ কৰা জমাৰ ওপৰত প্ৰয়োগ কৰা হ'ব। যদি নৱীকৰণৰ বাবে অনুৰোধ ম্যাদপুৰ্তিৰ তাৰিখৰ পিছত প্ৰাপ্ত কৰা হয়, এনে দেয় জমাবোৰ ম্যাদপুৰ্তিৰ তাৰিখৰ পৰা প্ৰযোজ্য হোৱাকৈ দেয় তাৰিখত প্ৰযোজ্য সূতৰ হাৰত নৱীকৰণ কৰা হ'ন, যদিহে এনে অনুৰোধ ম্যাদপুৰ্তিৰ তাৰিখৰ ১৪ দিনৰ ভিতৰত প্ৰাপ্তকৰা হয়। ম্যাদপুৰ্তিৰ তাৰিখৰ ১৪ দিনৰ পিছত নৱীকৰণ কৰা দেয় জমাবোৰৰ বাবে, দেয় সময়টোৰ বাবে বেঙ্কে সময়ে সময়ে নিৰ্ধাৰণ কৰা হাৰত সূত পৰিশোধ কৰা হ'ব।

জমাৰ বিপৰীতে আগধন

বেঙ্কে জমাকৰ্তাসকলক সঠিকভাৱে দাখিল কৰা ম্যাদী জমাৰ বিপৰীতে নথিপত্ৰবোৰৰ প্ৰয়োজনীয় পৰীক্ষণ কৰাৰ পিছত ঋণ / অভাৰড্ৰাফট সুবিধা প্ৰদান কৰাৰ বিষয়ে বিবেচনা কৰিব পাৰে। বেঙ্কে নাবালাকৰ নামত থকা জমাৰ বিপৰীতেও ঋণ প্ৰদানৰ বিষয়ে বিবেচনা কৰিব পাৰে। কিন্তু, ঋণটো নাবালকজনৰ হিতৰ বাবে লোৱা হৈছে বুলি জমাকৰ্তা / আৱেদনকাৰীয়ে এক উপযুক্ত ঘোষণাপত্ৰ দাখিল কৰিব লাগিব।

মৃতকৰ জমা একাউণ্টৰ দেয় পৰিমাণবোৰৰ নিষ্পত্তি

১) যদি জমাকৰ্তাই বেঙ্কৰ সৈতে মনোনয়ন পঞ্জীভুক্ত কৰিছে - মৃতক জমাকৰ্তাৰ একাউণ্টত থকা পৰিমাণটো মনোনীত ব্যক্তিৰ পৰিচয় ইত্যাদি প্ৰমাণিত কৰাৰ পিছত মনোনীত ব্যক্তিৰ একাউণ্টলৈ স্থানান্তৰ কৰা হব / পৰিশোধ কৰা হব।

২) যুগ্ম একাউণ্টৰ ক্ষেত্ৰতো ওপৰোক্ত ব্যৱস্থা অৱলম্বন কৰা হব যদি বেঙ্কত মনোনয়ন পঞ্জীভুক্ত কৰা থাকে।

৩) যুগ্ম জমা একাউণ্টত, য'ত যুগ্ম একাউণ্ট ধাৰকসকলৰ এজনৰ মৃত্যু হয়, বেঙ্কে মৃত ব্যক্তিজনৰ আইনী উত্তৰাধিকাৰী আৰু জীৱিত জমাকৰ্তা (সকল)ক পৰিশোধ কৰিব। অৱশ্যে, যদি যুগ্ম একাউণ্ট ধাৰক সকলে একাউণ্টত থকা পৰিমাণৰ নিষ্পত্তিৰ বাবে বেঙ্কক ''যিকোনো এজন বা জীৱিত জন, প্ৰথম/অন্তিম বা জীৱিত, জীৱিতসকলৰ যিকোনো এজন'' আদিৰ দৰে নিৰ্দেশনা দিয়ে, মৃতকৰ উত্তৰাধিকাৰীৰ দ্বাৰা আইনী নথিপত্ৰ দাখিল কৰোঁতে হোৱা বিলম্ব পৰিহাৰ কৰিবলৈ নিৰ্দেশনা অনুসৰি পৰিশোধ কৰা হব।

৪) মনোনয়ন কৰা নাথাকিলে আৰুযেতিয়া দাবীকৰ্তা সকলৰ মাজত কোনো বিবাদ নাথাকে, বেঙ্কৰ বোৰ্ডে অনুমোদন কৰা সীমালৈকে আইনী নথিপত্ৰ নিবিচৰাকৈ বেঙ্কে মৃত ব্যক্তিজনৰ একাউণ্টত থকা পৰিমাণটো সকলো আইনী উত্তৰাধিকাৰীসকলৰ বা তেওঁলোকৰ হৈ ধন প্ৰাপ্ত কৰিবলৈ আইনী উত্তৰাধিকাৰী সকলে নিযুক্ত কৰা ব্যক্তিৰ যুগ্ম আৱেদন আৰু ক্ষতিপূৰণৰ বিপৰীতে পৰিশোধ কৰিব। এয়া এইবাবে কৰা হয় যাতে আইনী আনুষ্ঠানিকতা সম্পূৰ্ণ কৰোঁতে হোৱা বিলম্বৰ বাবে সাধাৰণ জমাকৰ্তা সকল অসুবিধাত নপৰে।

মৃতকৰ একাউণ্টত ম্যাদী জমাৰ ওপৰত পৰিশোধ কৰিবলগা সূত

১) জমাৰ ম্যাদপুৰ্তিৰ পূৰ্বে জমাকৰ্তাৰ মৃত্যু হ'লে আৰুজমাৰ পৰিমাণটো ম্যাদপুৰ্তিৰ পিছত বিচৰা হ'লে, বেঙ্কে ম্যাদপুৰ্তিৰ তাৰিখলৈকে চুক্তি কৰা হাৰত সূত পৰিশোধ কৰিব। ম্যদপুৰ্তিৰ তাৰিখৰ পৰা পৰিশোধৰ তাৰিখলৈকে, ম্যদাপুৰ্তিৰ পিছত পৰিমাণটো বেঙ্কৰ ওচৰত যিমান দিন থাকে সেই সময়ৰ বাবে বেঙ্কে ম্যাদপুৰ্তিৰ সময়ত বাহাল থকা প্ৰযোজ্য হাৰত সৰল সূত পৰিশোধ কৰিব এই সংক্ৰান্তবেঙ্কৰ নীতি অনুসৰি।

২) অৱশ্যে, জমাৰ ম্যাদপুৰ্তিৰ তাৰিখৰ পিছত জমাকৰ্তাৰ মৃত্যু হ'লে, বেঙ্কে ম্যদপুৰ্তিৰ তাৰিখৰ পৰা পৰিশোধৰ তাৰিখলৈকে সময়খিনিৰ বাবে ম্যাদপুৰ্তিৰ তাৰিখত বাহাল থকা সঞ্চয় জমাৰ হাৰত সূত পৰিশোধ কৰিব।

জমাৰ বাবে বীমা আৱৰণ

বেঙ্কৰ সকলোবোৰ জমা ডিপজিট ইঞ্চিউৰেন্স এণ্ড ক্ৰেডিট গেৰাণ্টি কৰ্পোৰেচন অফ ইণ্ডিয়া (DICGC) ৰ দ্বাৰা আগবঢ়োৱা বীমা আঁচনিৰ অধীনত আৱৰিত, কিছুমান সীমা আৰু চৰ্ত সাপেক্ষে। বাহাল থকা বীমা আঁচনিৰ বিৱৰণ জমাকৰ্তাৰ বাবে উপলব্ধকৰা হ'ব।

পৰিশোধ বাতিল সুবিধা

জমাকৰ্তা সকলে জাৰী কৰা চেকৰ সম্পৰ্কত বেঙ্কে তেওঁলোকৰ পৰা পৰিশোধ বাতিল নিৰ্দেশনা স্বীকাৰ কৰিব। প্ৰয়োজন অনুসৰি মাচুল আদায় কৰা হ'ব।

সুপ্ত একাউণ্ট

গ্ৰাহকে এক নিৰন্তৰ ২ বছৰৰ সময়ৰ বাবে লেনদেন নকৰা (চিষ্টেমৰ দ্বাৰা কৰা লেনদেন যেনে ক্ৰেডিট সূত/ডেবিট সুত আদিৰ বাহিৰে) সঞ্চয় আৰুচলিত একাউণ্টবোৰ জমাকৰ্তা আৰু লগতে বেঙ্কৰ হিতৰ বাবে সুপ্ত একাউণ্ট হিচাপে গণ্য কৰা হ'ব। জমাকৰ্তাই একাউণ্টটো ব্যৱহাৰ কৰাৰ বাবে ইয়াক সক্ৰিয় কৰাৰ অনুৰোধ কৰিব পাৰে।

স্থায়ী নিৰ্দেশ

এটা একাউণ্টৰ পৰা বেঙ্কৰ একেটা শাখা, বা আন শাখাত ৰখা আন একাউণ্টলৈ স্থানান্তৰ / প্ৰেৰণ কৰাৰ বাবে বেঙ্কক স্থায়ী নিৰ্দেশনা দিব পাৰি।

প্ৰত্যক্ষ ডেবিট

বেঙ্কে গ্ৰাহকৰ একাউণ্টত ''প্ৰত্যক্ষ ডেবিট'' প্ৰয়োগ কৰি নিয়মীয়া পৰিশোধৰ বাবে ইলেক্ট্ৰনিক ক্লিয়াৰিং সেৱা (ইচিএছ) সুবিধা আগবঢ়ায়। এই সুবিধাটো মুখ্যত: মাহিলী বিল/ঋণৰ মাহিলী কিস্তি/বীমাৰ প্ৰিমিয়াম/মিচুৱেল ফাণ্ডত বিনিয়োগ আদিৰ বাবে ব্যৱহাৰ কৰা হয়। ইচিএছ সুবিধাৰ বিৱৰণ সকলোবোৰ শাখাত উপলব্ধআছে।

সুৰক্ষিত জমা লকাৰ

এই সুবিধাটো বেঙ্কৰ সকলোবোৰ শাখাত আগবঢ়োৱা নহয় আৰু য'ত এই সুবিধা প্ৰদান কৰা হয়, সুৰক্ষা জমা ভল্ট আৱণ্টন কৰাটো উপলব্ধতা আৰুসেৱাৰ সৈতে সংলগ্ন অন্যান্য চৰ্তাৱলী আৰুনিয়মাৱলী পালন সাপেক্ষে হব। সুৰক্ষা জমা লকাৰ ব্যক্তি এজনে গাইগুটীয়া ভাৱে (নাবালকৰ বাহিৰে) বা অন্যান্য ব্যক্তিৰ সৈতে যুগ্মভাৱে, হিন্দু অবিভক্ত পৰিয়াল, ফাৰ্ম, লিমিটেড কোম্পানী, সংগঠন, চ'ছাইটি, ট্ৰাষ্টআদিয়ে ভাৰাৰলে লব পাৰে। একক বা যুগ্মভাৱে লকাৰ লোৱা ব্যক্তিসকলৰ বাবে মনোনয়ন সুবিধা উপলব্ধ। যুগ্ম নামত লোৱা লকাৰৰ ক্ষেত্ৰত, দুজনৰে লোকক মনোনয়ন কৰিব পাৰি। জমা একাউণ্টৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱাৰ দৰে যুগ্ম লকাৰ ধাৰক সকলে যিকোনো এজন ধাৰকৰ মৃত্যু ঘটিলে লকাৰৰ প্ৰৱেশাধিকাৰৰ নিৰ্দেশনা দিব পাৰে। লকাৰৰ সামগ্ৰীৰ নিষ্পত্তিৰ বাবে মনোনয়নৰ অনুপস্থিতিত, সাধাৰণ লোকসকলৰ অসুবিধা হোৱা পৰিহাৰ কৰাৰ উদ্দেশ্যে, বেঙ্কে জমা একাউণ্টৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱাৰ দৰে আইনী উত্তৰাধিকাৰী সকলক ক্ষতিপূৰণ নোহোৱাৰ সুবিধাৰ বিপৰীতে প্ৰদান কৰিব।

অভিযোগ আৰু বিবাদ নিষ্পত্তি

বেঙ্কে প্ৰদান কৰা সেৱাৰ সম্পৰ্কত গ্ৰাহকসকলৰ কোনো অভিযোগ / বিবাদ থাকিলে গ্ৰাহকৰ অভিযোগ / বিবাদ নিষ্পত্তি কৰিবলৈ বেঙ্কে নিৰ্ধাৰিত কৰা কৰ্তৃপক্ষৰ ওচৰ চপাৰ অধিকাৰ গ্ৰাহকসকলৰ আছে। অভিযোগ / বিবাদ নিষ্পত্তিৰ বাবে আভ্যন্তৰীণ প্ৰণালীৰ বিৱৰণ শাখা পৰিসৰত প্ৰদৰ্শিত কৰা হ'ব। অভিযোগ দাখিল কৰাৰ প্ৰণালীৰ বিষয়ে শাখাৰ বিষয়াসকলে সকলো প্ৰয়োজনীয় তথ্যৰ যোগান ধৰিব। গ্ৰাহকে অভিযোগ দাখিল কৰাৰ ৩০ দিনৰ ভিতৰত বেঙ্কৰ পৰা সঁহাৰি নাপালে, বা তেওঁ যদি বেঙ্কৰ পৰা প্ৰাপ্তসঁহাৰিৰ সৈতে সন্তুষ্টনহয়, তেওঁ ভাৰতীয় ৰিজাৰ্ভ বেঙ্কে নিযুক্ত কৰা বেঙ্কিং লোকপালৰ ওচৰ চপাৰ অধিকাৰ আছে।

চেক কালেক্শ্যন আৰু বহিৰৰ চেকৰ ততালিকে ক্ৰেডিট সম্বন্ধীয় নীতি আৰু প্ৰক্ৰিয়া

1.স্থানীয় চেক

স্থানীয়ভাবে প্ৰদেয় সকলো চেক আৰু আন হস্তান্তৰযোগ্য ইন্সট্ৰুমেণ্ট কেন্দ্ৰত থকা ক্লিয়েৰিং চিষ্টেমৰ জৰিয়তে আগবঢ়োৱা হয়। শাখা কাউণ্টাৰত আৰু শাখা পৰিসৰত ৰখা কালেক্শ্যন বক্সত নিৰ্দিষ্ট অন্তিম সময়ৰ আগতে জমা দিয়া চেক একে দিনাই ক্লিয়েৰিঙৰ বাবে আগবঢ়োৱা হ'ব। এই অন্তিম সময় প্ৰতিটো শাখাৰ ক্ষেত্ৰত ভিন্নভিন্ন হব পাৰি। গ্ৰাহকৰ লাভৰ অৰ্থে প্ৰযোজ্য অন্তিম সময় চেক ড্ৰপ বক্স আৰু শাখাসমূহত প্ৰদৰ্শিত কৰা আছে।

অন্তিম সময়ৰ পাছত তথা অফ-চাইট এটিএম সমন্বিতে শাখা পৰিসৰৰ বাহিৰত ৰখা কালেক্শ্যন বক্সত জমা দিয়া চেক পৰবৰ্তী ক্লিয়েৰিং চক্ৰত আগবঢ়োৱা হ'ব। ক্লিয়াৰিং নিষ্পত্তি হোৱৰ সময়ৰ পৰা একে দিনাই সৰ্বাধিক পৰৱৰ্তী কৰ্ম দিনত গ্ৰাহকৰ একাউণ্টত ক্ৰেডিট প্ৰদান কৰিম। ক্লিয়েৰিং হাউচৰ চেক প্ৰত্যৰ্পণ নিয়ম অনুযায়ী এনেদৰে ক্ৰেডিট কৰা ধনৰাশি উলিয়াবলৈ অনুমতি দিয়া হয়।

2. বাহিৰৰ চেক

বাহিৰৰ চেকৰ ধনপ্ৰাপ্তি নিম্নলিখিত চৰ্ত অনুযায়ী গ্ৰাহকৰ একাউণ্টত জমা দিয়া হ'ব।

বাহিৰৰ কেন্দ্ৰসমূহত আন বেঙ্কৰ পৰা কটা চেক সেই কেন্দ্ৰসমূহত থকা বেঙ্কৰ শাখাৰ জৰিয়তে সাধাৰণতে আদায় দিয়া হয়। বেঙ্কৰ নিজা শাখা য'ত নাই, তাত ইন্সট্ৰুমেণ্টবিধ ড্ৰয়ী বেঙ্কলৈ ধন আদায়ৰ বাবে পোনপটীয়াকৈ পঠিয়াই দিয়া হ'ব বা কোনো কৰেস্প'ণ্ডেণ্ট বেঙ্কৰ জৰিয়তে কালেক্ট কৰা হ'ব। তদুপৰি আৰবিআই-য়ে আগবঢ়োৱা নেশ্যনেল ক্লিয়েৰিং চাৰ্ভিচও বেঙ্কে এনে কেন্দ্ৰসমূহত ব্যৱহাৰ কৰিব য'ত এনে কালেক্শ্যন সেৱা বিদ্যমান হৈ আছে। বাহিৰৰ কেন্দ্ৰত স্থিত বেঙ্কৰ শাখাৰ পৰা কটা চেকো কালেক্ট কৰা হ'ব চলিত আন্তঃশাখা ব্যৱস্থা ব্যৱহাৰ কৰি।

১. মেট্ৰো/নন-মেট্ৰো চহৰৰ পৰা কটা চেক য'ত এইচডিএফচি বেঙ্কৰ শাখা আছে, ক্লিয়েৰ ফাণ্ড প্ৰাপ্তি কৰাৰ পাছত ক্ৰেডিট কৰা হ'ব। দিনটোৰ ক্ৰেডিট ৰিলিজ কৰাৰ আৱশ্যণিৰ অংশ স্বৰূপে এদিনত এবাৰকৈ গ্ৰাহকৰ একাউণ্টত ধন ক্ৰেডিট কৰা হ'ব :

ক) প্ৰধান মেট্ৰো (মুম্বাই, চেন্নাই, কলকাতা, নতুন দিল্লী)-ৰ মাজত আন বেঙ্কৰ চেক সংগ্ৰহ : ৭টা কামৰ দিন কালেক্শ্যনৰ বাবে।

খ) মেট্ৰো কেন্দ্ৰ আৰু ৰাজ্যৰ ৰাজধানী (উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহ আৰু চিক্কিম বাদ দি) : সৰ্বাধিক ১০টা কামৰ দিনৰ কালছোৱা।

গ) আমাৰ শাখা থকা আন সকলো কেন্দ্ৰত : সৰ্বাধিক ১৪টা কামৰ দিনৰ কালছোৱা।

২. আমাৰ শাখা নথকা স্থানৰ পৰা কটা চেক য'ত কৰেস্প'ণ্ডেণ্ট বেঙ্কৰ সৈতে আমাৰ জোঁটবন্ধন আছে আৰু য'ত কৰেস্প'ণ্ডেণ্ট বেঙ্কৰ সৈতে আমাৰ জোঁটবন্ধন নাই : সৰ্বাধিক ১৪টা কামৰ দিন।

প্ৰতিবিধি প্ৰডাক্টৰ বাবে শুল্কৰ তালিকা সময়ে সময়ে নিৰ্ধাৰিত কৰা অনুযায়ী উপৰোক্তৰ ওপৰত শুল্ক প্ৰযোজ্য হ'ব।

ও কামৰ দিন - কামৰ দিনৰ অৰ্থ হ'ল সংশ্লিষ্ট কেন্দ্ৰসমূহত শনিবাৰ, দেওবাৰ আৰু বেঙ্কৰ ছুটীৰ দিন বাদ দি বাকী দিন।

৩. স্পীড ক্লিয়েৰিং

ভাৰতীয় ৰিজাৰ্ভ বেঙ্কে ''স্পীড ক্লিয়েৰিং'' নামেৰে চেক ক্লিয়েৰিঙৰ বাবে এটা নতুন কার্যপ্রণালী প্রবর্তন কৰিছে, যাৰ উদ্দেশ্য হ'ল বেঙ্কসমূহত ক'ৰ বেঙ্কিং চলিউশ্যন (চিবিএচ)-ৰ ৰূপায়ণৰ ফলস্বৰূপে উদ্ভৱ ঘটা প্রযুক্তিগত সুবিধা গ্রহণ কৰি বাহিৰৰ স্থানৰ চেকৰ ধন আদায়ৰ বাবে লগা সময় কম কৰি তোলা ।

ক্লিয়েৰিঙৰ এই নতুন কার্যপ্রণালীৰ ফলত উৎসতে/জমা দিয়া স্থানতে বাহিৰৰ স্থানৰ চেকৰ ক্লিয়েৰিং সহজসাধ্য হৈ পৰিছে তথা লক্ষ্যস্থললৈ/ড্রয়ী স্থানলৈ চেকৰ বাস্তৱৰূপত চলাচলৰ প্রয়োজন নোহোৱা হৈ পৰিছে । গ্রাহকৰ একাউন্টলৈ ডেবিট আৰু চহীৰ সত্যনিৰূপণ আদি সমন্বিতে পৰিশোধৰ সম্পূর্ণ প্রক্রিয়া চেক জমা দিয়া স্থানৰ শাখাতে সম্পন্ন কৰা হয় । ০১ জানুৱাৰী, ২০১০ তাৰিখৰ পৰা, এইচডিএফচি বেঙ্কে সকলো স্থানতে স্পীড ক্লিয়েৰিঙৰ সুবিধা ৰূপায়িত কৰিছে ।

৪. বিদেশত প্রদেয় চেক

বিদেশী কেন্দ্রত প্রদেয় চেক, য'ত বেঙ্কৰ শাখা সঞ্চালিত (বা কোনো অধীনস্থ আদিৰ জৰিয়তে বেঙ্কিং সঞ্চালন) হৈ আছে, তাত সেই কার্যালয়ৰ জৰিয়তে সংগ্রহ কৰা হ'ব । কৰেস্প'ণ্ডেণ্ট বেঙ্কৰ সেৱা এনে দেশ/কেন্দ্রত ব্যৱহাৰ কৰা হ'ব য'ত কৰেস্প'ণ্ডেণ্ট বেঙ্কৰ উপস্থিতি আছে । বিদেশী বেঙ্কত কটা চেক এনে কেন্দ্রত য'ত এই বেঙ্ক বা ইয়াৰ কৰেস্প'ণ্ডেণ্টৰ পোনপটীয়া উপস্থিতি নাই, কিছু ক্ষেত্রত পোনপটীয়াকৈ ড্রয়ী বেঙ্কলৈ পঠিয়াই দিয়া হ'ব যাতে কোনো এটা কৰেস্প'ণ্ডেণ্ট বেঙ্কৰ সৈতে ৰখা বেঙ্কৰ সংশ্লিষ্ট ন'ষ্ট্র' একাউন্টত ধনপ্রাপ্তিক্রেডিট কৰিব পাৰি ।

প্রচলিত প্রধান মুদ্রাসমূহৰ ক্লুলিং পিৰিয়ড তলত উল্লেখ কৰা হ'ল ।

মুদ্রা	সাধাৰণ ক্লুলিং পিৰিয়ড
ইউএচডি চেকসমূহ	নিউ ইয়র্কত প্রদেয় চেকৰ বাবে মূল্য তাৰিখৰ পৰা ৫টা আন্তঃৰাষ্ট্রীয় কামৰ দিন
	নিউ য়র্কৰ বাহিৰত প্রদেয় চেকৰ বাবে মূল্য তাৰিখৰ পৰা ১৬ টা আন্তঃৰাষ্ট্রীয় কামৰ দিন
জিবিপি চেক	মূল্য তাৰিখৰ পৰা ১৪ টা আন্তঃৰাষ্ট্রীয় কামৰ দিন
ইইউআৰ চেক	ফ্রেঙ্কফর্টত প্রদেয় চেকৰ বাবে মূল্য তাৰিখৰ পৰা দ্বিতীয় আন্তঃৰাষ্ট্রীয় কামৰ দিন
	ফ্রেঙ্কফর্টৰ বাহিৰত প্রদেয় চেকৰ বাবে মূল্য তাৰিখৰ পৰা ১৫টা আন্তঃৰাষ্ট্রীয় কামৰ দিন
এইউডি চেক	মূল্য তাৰিখৰ পৰা ১০টা আন্তঃৰাষ্ট্রীয় কামৰ দিন
চিএডি চেকসমূহ	মূল্য তাৰিখৰ পৰা ১১টা আন্তঃৰাষ্ট্রীয় কামৰ দিন

- মূল্য তাৰিখ হ'ল আমাৰ ন'ষ্ট্র' একাউন্টত ক্রেডিট কৰাৰ তাৰিখ ।
- গ্রাহকৰ একাউন্টত ক্রেডিট কৰাৰ তাৰিখত কার্ড বিদ্যমান কার্ড ৰেট হ'ব প্রযোজ্য এক্সচেঞ্জ হাৰ ।
- দেয় তাৰিখ হ'ল ন'ষ্ট্র' একাউন্টত ক্রেডিটৰ মূল্য তাৰিখ আৰু লগতে ওপৰত উল্লেখিত অনুযায়ী সাধাৰণ কুলিং পিৰিয়ড ।
- আমাৰ নোষ্ট্রো একাউণ্টত ক্রেডিট হোৱা দেখুওৱা তাৰিখৰ পৰা গ্রাহকৰ একাউণ্টত ক্রেডিট হোৱা তাৰিখলৈকে সময়ৰ বাবে চেকৰ মূল্যৰ ওপৰত গ্রাহকক সূত (সঞ্চয় বেঙ্ক একাউণ্ট হাৰত) পৰিশোধ কৰা হব।

টোকা :

ড্রয়ী দেশখনত চেকৰ ধন আদায় সংক্রান্ত ক্লিয়েৰিঙৰ চলিত নিয়ম/আইন অনুযায়ী, ''অপর্যাপ্ত পুঁজি'', ''একাউন্ট বন্ধ'', ''প্রবঞ্চনামূলক চেক'' ইত্যাদি সমন্বিতে কিন্তু ইয়াতে সীমিত নোহোৱা যিকোনো কাৰণত 'কুলিং' কালছোৱাৰ পাছত জমাকর্তাৰ একাউন্টত ধনপ্রাপ্তি ক্রেডিট কৰাৰ পাছতো আনকি, ভাৰতৰ বাহিৰত অৱস্থিত অনুৰূপ বেঙ্কৰ জৰিয়তে পেয়ী বেঙ্কলৈ ধন আদায়ৰ বাবে পঠিওৱা বিদেশী মুদ্রাৰ চেক/লেখ্যপত্র পেয়ী বেঙ্কে ঘূৰাই পঠিয়াব পাৰিব । এনেদৰে চেক ঘূৰাই দিয়াৰ ক্ষেত্রত, এইচডিএফচি বেঙ্কৰ ন'ষ্ট্র' একাউন্ট ডেবিট কৰি, আগতে এইদৰে ক্রেডিট কৰি ঘূৰাই দিয়া চেকখনৰ ধনৰাশি পেয়ী বেঙ্কে পুনঃপ্রাপ্ত কৰিব । ঘূৰাই দিয়া চেকখনৰ পৰিমাণ পর্যন্ত ধনৰাশি জমাকর্তাৰ একাউন্টৰ পৰা লগে লগে ডেবিট কৰিবলৈ (চলিত বিদেশী মুদ্রা বিনিময় হাৰত) তথা লগতে ধনপ্রাপ্তি ক্রেডিট কৰা তাৰিখৰ পৰা জমাকর্তাৰ পৰা এনে ধনৰাশি পুনঃপ্রাপ্তি কৰা তাৰিখ পর্যন্ত বিলম্বিত হাৰত মাচুল আৰু সুদ লবলৈ এইচডিএফচি বেঙ্কৰ অধিকাৰ থাকিব ।

বিদেশী মুদ্রাৰ চেকৰ ততালিকে ক্রেডিট :

ইউএচ ডলাৰ ১০০ বা সম মূল্যৰ বিদেশী মুদ্রাৰ চেকৰ বাবে ততালিকে ক্রেডিট আগবঢ়োৱা হ'ব এইবিলাক মুদ্রাৰ ক্ষেত্রত : ইউএচডি, জিবিপি, ইউৰো, চিএডি আৰু এইউডি ।

বিদেশী মুদ্রাৰ চেকৰ ততালিকে ক্রেডিট কৰি দিয়া হ'ব একাউন্টৰ সন্তোষজনক সঞ্চালন আৰু গ্রাহকে যোগ্যতাৰ নিম্নোক্ত মানদণ্ড পূৰণ কৰা সাপেক্ষে :

- চেকৰ মূল্য ইউএচ ডলাৰ ১০০ বা ইয়াৰ সমমূল্যতকৈ বেছি হ'ব নালাগিব (জমা দিয়াৰ তাৰিখত), এইবিলাক মুদ্রাৰ বাবে - ইউএচডি, জিবিপি, ইউৰো, চিএডি আৰু এইউডি।
- লাভগ্রাহী একাউন্টন্টো অতি কমেও ১২ মাহৰ পুৰণি হ'ব লাগিব ।
- একাউটোন্টোত বিগত ৬ মাহৰ ভিতৰত গ্রাহকে জাৰি কৰা চেক ৰিটার্ন শূন্য হ'ব লাগিব ।
- অন্তিম ২ টা ত্রৈমাসিক কালত সংশ্লিষ্ট প্রডাক্ট অনুযায়ী এভাৰেজ কোৱার্টাৰলি (গড় ত্রৈমাসিক) বেলেঞ্চ বজায় ৰাখিব লাগিব ।
- ততালিকে ক্রেডিটৰ সুবিধা অ'ভাৰড্রাফ্ট/লোন একাউন্টৰ ক্ষেত্রত আগবঢ়োৱা নহ'ব ।
- ততালিকে ক্রেডিটৰ অন্তগর্ত আগতে ক্রয় কৰা কোনো চেক ধন আদায়ৰ বাবে বাকী/পেণ্ডিং হৈ ৰব নালাগিব বা অনাদায়ী হৈ ঘূৰি আহিব নালাগিব ।
- এই সুবিধা কেৱল সেইবিলাক চেকৰ বাবে প্রদান কৰা হ'ব, যিবিলাক প্রদেয় হ'ব এনে মুদ্রাত আৰু দেশত য'ত বিদেশী মুদ্রাৰ চেকৰ ধন আদায়ৰ বাবে অনুৰূপ বেঙ্কৰ সৈতে এইচডিএফচি বেঙ্কৰ জোঁট বন্ধন আছে ।

এনে সকলো চেকৰ বাবে গতানুগতিক মাচুলৰ উপৰিও গ্রাহকৰ পৰা ₹ ৫০ প্রতি চেক হিচাপত মাচুল লোৱা হ'ব ।

চেকৰ প্রত্যাৱর্তন আৰু আদায় নোহোৱাকৈ ঘূৰি অহা চেকত সুদ গ্রহণ, যিক্ষেত্রত ততালিকে সুদ দিয়া হৈছিল:

- যদিহে চেকখন ধন আদায় নোহোৱাকৈ ঘূৰি আহে, তেন্তে চেকৰ মূল্য একাউন্টত লগে লগে চলিত টিটি চেলিং কার্ড ৰেটত ডেবিট কৰি দিয়া হ'ব তথা লগতে এচবি-ৰ সুদৰ হাৰ আৰু ২% কৈ লোৱা হ'ব সেই কালছোৱাৰ বাবে অর্থাৎ ততালিকে ক্রেডিট কৰা তাৰিখৰ পৰা চেকৰ ধনৰাশি ডেবিট কৰা তাৰিখলৈকে ।
- বিদেশী মুদ্রাৰ চেকৰ বাবে প্রযোজ্য চেক ৰিটার্ন মাচুল ধার্য কৰা হ'ব ।

৫. ক্ষতিপূৰণ নীতি – বিলম্ব কালেকশ্যনৰ বাবে সুদ পৰিশোধ

ক্ষতিপূৰণ নীতিৰ অংশস্বৰূপে, উপৰোক্ত সময়ছোৱাৰ পাছত ক্রেডিট কৰোতে যদিহে পলম হয়, তেন্তে কালেকশ্যন ইন্সট্রুমেন্টৰ ধনৰাশিৰ ওপৰত গ্রাহকক সুদ দিয়া হ'ব । গ্রাহকে কোনো দাবী নজনোৱাকৈয়ে এই সুদ দিয়া হ'ব ।

ক) বাহিৰৰ চেক কালেকশ্যনত চেক কালেকশ্যনত ৭/১০/১৪ দিনৰ, যিদৰে প্রযোজ্য, সাধাৰণ নির্ধাৰিত সময়ছোৱাৰ পাছত পলম হোৱা সময়ৰ বাবে চেভিংচ্ বেঙ্কৰ হাৰত সুদ দিয়া হ'ব ।

খ) যিক্ষেত্রত এনে পলম ১৪ দিনতকৈ বেছি হয়, সংশ্লিষ্ট কালছোৱাৰ বাবে টার্ম ডিপজিটত প্রযোজ্য হাৰত সুদ দিয়া হ'ব ।

গ) অসাধাৰণভাৱে পলম হোৱাৰ ক্ষেত্রত অর্থাৎ ৯০ দিনতকৈ বেছি পলম হলে অনুৰূপ টার্ম ডিপজিট হাৰৰ ২% ওপৰত সুদ দিয়া হ'ব ।

এনে কিছুমান স্থানত য'ত এই বেঙ্কৰ কোনো শাখা নাই, লেখ্যপত্র বা চেক ধন আদায়ৰ বাবে পোনপটীয়াকৈ ড্রয়ী বেঙ্কলৈ পঠিয়াই দিয়া হ'ব বা অনুৰূপ বেঙ্কৰ জৰিয়তে ধন আদায় কৰা হ'ব । সংগ্রহকাৰী বেঙ্ক অর্থাৎ এইচডিএফচি বেঙ্কলৈ ধনপ্রাপ্তি পঠিওৱাত ড্রয়ী বেঙ্কে অযুক্তিকৰভাবে কোনো পলম কৰাৰ ক্ষেত্রত, ১৪ টা কামৰ দিনৰ পাছত গ্রাহকক কোনো ক্ষতিপূৰণ দিবলৈ এইচডিএফচি বেঙ্ক দায়ী হৈ নৰব ।

ড্রয়ী বেঙ্কে বিলম্বিত কৰি তোলা চেক সম্বন্ধে জানিব বিচাৰিলে গ্রাহকক বেঙ্কে জনাব/জাননী দিব ।

বিদেশী মুদ্রাৰ চেকৰ বিলম্বিত ধন আদায়ৰ বাবে সুদ পৰিশোধ :

বিদেশী মুদ্রাৰ চেকৰ ধন আদায়ৰ ক্ষেত্ৰত পলমৰ বাবে সুদৰ জৰিয়তে গ্ৰাহকক ক্ষতিপূৰণ দিয়া হ'ব । গ্ৰাহকৰ পৰা কোনো দাবী অবিহনেই এই সুদ গ্ৰাহকক পৰিশোধ কৰা হ'ব এনে ক্ষেত্ৰত, যেতিয়া উল্লেখিত ধন আদায় কালৰ পাছত এসপ্তাহতকৈ বেছি পলম হ'ব ধৰে ।

তলত দিয়াৰ দৰে সুদ পৰিশোধ কৰা হ'ব আচল পৰিমাণৰ ওপৰত যাক চেকৰ ধন উচুল কৰাৰ পাছত গ্ৰাহকৰ একাউন্টত ক্ৰেডিট কৰি দিয়া হৈছিল :

- উচুল কৰাৰ সম্মত তাৰিখৰ পৰা ৩০ দিন পৰ্যন্ত পলমৰ কালছোৱাৰ বাবে চেভিং বেঙ্কৰ হাৰ
- যিক্ষেত্ৰত এনে পলম ৩০ দিনতকৈ বেছি হয়, সুদ দিয়া হ'ব সংশ্লিষ্ট কালছোৱাত টাৰ্ম ডিপজিটৰ ক্ষেত্ৰত প্ৰযোজ্য সুদৰ হাৰত (৯০ দিনলৈকে)
- অস্বাভাৱিকভাবে অৰ্থাৎ ৯০ দিনতকৈ অধিক পলম হোৱাৰ ক্ষেত্ৰত, তদনুৰূপ টাৰ্ম ডিপজিটৰ হাৰতকৈ ২% বেছিকৈ সুদ পৰিশোধ কৰা হ'ব ।

কিছুমান মুদ্রাৰ বাবে, ধন আদায়ৰ ক্ষেত্ৰত অনুৰূপ বেঙ্কৰ সৈতে এইচডিএফচি বেঙ্কে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই । এনে লেখ্যপত্ৰ ''ধন-আদায়ৰ ভিত্তিত'' পোনপটীয়াকৈ ড্ৰয়ী বেঙ্কলৈ ধন আদায়ৰ বাবে পঠিয়াই দিয়া হয় । উপৰোক্ত ক্ষতিপূৰণ নীতিয়ে ইয়াক সামৰি নলয়, যিহেতু এনে চেকৰ উচুলিকৰণৰ বাবে কোনো নিৰ্দিষ্ট সময়সীমা নাই ।

৬. বাহিৰৰ চেকৰ ততালিকে ক্ৰেডিট

বেঙ্কৰ বৰ্তমানৰ নীতি অনুযায়ী, গ্ৰাহকৰ বিশেষ অনুৰোধত অথবা আগতীয়া ব্যৱস্থা অনুসৰি বাহিৰৰ কালেকশ্যন ইন্সট্ৰুমেন্টৰ বিপৰীতে ততালিকে ক্ৰেডিট প্ৰদান কৰা হয়, যি কাম আইবিএ মডেল চেক কলেকশ্যন পলিচি অনুসৰি কৰিব পাৰি ।

বিচিএচবিআই-য়ে আইবিএ-ৰ আদৰ্শ নীতি সম্বন্ধে কিছু পৰ্যবেক্ষণ আৰু পৰামৰ্শ পত্ৰ নং. D.O.BCSBI.NO.1585/03.01.001/2006-07, দিনাঙ্ক ২৩ ফেব্ৰুৱাৰী ২০০৭-ৰ জৰিয়তে আগবঢ়াইছে, য'ত উল্লেখ কৰা হৈছে যে সকলো যোগ্য একাউন্ট ধাৰককে এক নিৰ্ধাৰিত পৰিমাণলৈকে ততালিকে ক্ৰেডিট দিব পৰা যায় যদিহে এনে একাউন্ট সন্তোষজনক ভাবে সঞ্চালিত হৈ আহিছে ।

তলত উল্লেখিত মানদণ্ড সাপেক্ষে ব্যক্তিগত একাউন্ট ধাৰকলৈ ৫০০০ টকা পৰ্যন্ত বাহিৰৰ চেকৰ বাবে ততালিক ক্ৰেডিট দিব পৰা যাব ।

ক) যোগ্যতাৰ মানদণ্ড

১. চেকৰ মূল্য ৫০০০ টকাতকৈ অধিক হোৱা উচিত নহয় ।

২. হিতাধিকাৰীৰ একাউন্ট অতি কমেও এবছৰৰ পুৰণা হ'ব লাগিব ।

৩. বিগত ৬ মাহত একাউন্টত গ্ৰাহকে জাৰি কৰা চেকৰ শূন্য প্ৰত্যৰ্পণ ।

৪. বিগত ২ টা তিনিমহীয়া কালত প্ৰডাক্ট অফাৰিং অনুযায়ী তিনিমহীয়া গড় বেলেঞ্চ বজাই ৰাখিব লাগিব ।

৫. অ'ভাৰড্ৰাফ্ট/লোন একাউন্টক ততালিকে ক্ৰেডিট সুবিধা প্ৰদান কৰা নহ'ব ।

৬. আগতে শীঘ্ৰে ক্ৰেডিটৰ অধীনত ক্ৰয় কৰা কোনো চেক কলেকশ্যনৰ বাবে অপ্ৰাপ্ত/পেণ্ডিং হৈ ৰব নেলাগিব বা 'আনপেইড' হৈ ঘূৰি যাব নেলাগিব ।

খ) কেৱল এনে চেকলৈকেহে সুবিধা প্ৰদান কৰা হ'ব যিবিলাক এইচডিএফচি শাখা থকা স্থানত কটা হৈছে ।

চেক কালেকশ্যনৰ সাধাৰণ মাচুল প্ৰযোজ্য হ'ব ।

চেক-ৰিটাৰ্ন আৰু পৰিশোধ নকৰাকৈ ঘূৰি অহা চেকত সুদ ধাৰ্য, যিক্ষেত্ৰত লগে লগে ক্ৰেডিট কৰা হৈছিল :

ক) যদিহে পৰিশোধ নকৰাকৈ চেক ঘূৰাই দিয়া হয়, চেকৰ মূল্য একাউন্টত ততালিকে চেভিংচ্ বেঙ্কৰ সুদৰ হাৰৰ সৈতে আৰু লগতে এনে কালছোৱাৰ বাবে ২% হাৰত অৰ্থাৎ ততালিকে ক্ৰেডিট কৰাৰ তাৰিখৰ পৰা চিএমএচ-ৰ দ্বাৰা একাউন্টত ডেবিট কৰা তাৰিখলৈকে ডেবিট কৰা হ'ব ।

খ) ততালিকে ক্রেডিট কৰাৰ তাৰিখৰ পৰা ইন্সট্রুমেন্ট ঘূৰি অহাৰ তাৰিখলৈকে গ্ৰাহকৰ পৰা কোনো সুদ লোৱা ন'হব যদিহে সেই বেঙ্কটো ফাণ্ডবিহীন হৈ ৰোৱা নাছিল ।

গ) বাহিৰৰ চেকৰ বাবে প্ৰযোজ্য চেক ৰিটাৰ্ন মাচুল লোৱা হ'ব ।

৭. স্থানীয়/বাহিৰৰ চেকৰ ক্ৰয়

বেঙ্কে ইয়াৰ নিজ বিবেচনাৰ অধীনত গ্ৰাহকৰ নিৰ্দিষ্ট অনুৰোধত অথবা আগতীয়া ব্যৱস্থা অনুযায়ী কালেকশ্যনৰ বাবে দাখিল কৰা স্থানীয়/বাহিৰৰ চেক ক্ৰয় কৰিব পাৰে । একাউন্টৰ সন্তোষজনক সঞ্চালনৰ উপৰিও, চেক কটা ব্যক্তিৰ সুখ্যাতিও চেক ক্ৰয়ৰ সময়ত বিবেচনাৰ বিষয় হ'ব । সকলো শাখায়েই চেকৰ ক্ৰয়ৰ ক্ষেত্ৰত দিয়া কৰ্তৃত্বৰ বিদ্যমান প্ৰতিনিধিত্ব অনুযায়ী অভ্যন্তৰীণ গাইডলাইন মানি চলিব ।

৮. প্ৰেৰণ কালত/ক্লিয়েৰিং প্ৰক্ৰিয়াৰ সময়ত বা পৰিশোধ কৰা বেঙ্কৰ শাখাত হেৰুওৱা চেক/ইন্সট্রুমেন্ট

কালেকশ্যনৰ বাবে গ্ৰহণ কৰা চেক বা ইন্সট্রুমেন্ট প্ৰেৰণ কালত বা ক্লিয়েৰিং প্ৰক্ৰিয়াৰ সময়ত বা পৰিশোধ কৰা বেঙ্কৰ শাখাত হেৰাই যোৱাৰ ক্ষেত্ৰত :

১) হেৰাই যোৱাৰ কথা গম পোৱাৰ লগে লগে বেঙ্কে এই কথা একাউন্টৰ ধাৰকক জনাই দিব ।

২) গ্ৰাহকজনে যাতে চেক কাটোতাৰ পৰা ডুপ্লিকেট ইন্সট্রুমেন্ট প্ৰাপ্ত কৰিব পাৰে তাৰবাবে চেক হেৰুওৱা বুলি প্ৰমাণপত্ৰ দিয়াকে ধৰি সকলো প্ৰকাৰৰ সহায়তা বেঙ্কে গ্ৰাহকলৈ আগবঢ়াব ।

প্ৰেৰণ কালত ইন্সট্রুমেন্ট হেৰু ওৱাৰ সংক্ৰান্তত নিম্নোক্ত ধৰণেৰে বেঙ্কে গ্ৰাহকলৈ ক্ষতিপূৰণ আগবঢ়াব :

ক) যদিহে ইন্সট্রুমেন্ট হেৰুওৱাৰ জাননী গ্ৰাহকক কালেকশ্যনৰ বাবে নিৰ্ধাৰিত সময়সীমাৰ (৭/১০/১৪ দিনৰ, যিটোৱেই প্ৰযোজ্য) পাছতহে দিয়া হয়, তেন্তে নিৰ্ধাৰিত কলেকশ্যনৰ সময়ৰ পাছৰ কালছোৱাৰ বাবে ওপৰত উল্লেখিত হাৰত সুদ দিয়া হব ।

খ) তদুপৰি বেঙ্কে চেভিংচ্ বেঙ্কৰ হাৰত আৰু ১৫ দিনৰ কালছোৱাৰ বাবে চেকৰ ধনৰাশিৰ ওপৰত সুদ প্ৰদান কৰিব যাতে ডুপ্লিকেট চেক/ইন্সট্রুমেন্ট তথা তাৰ কলেকশ্যন প্ৰাপ্ত কৰিবলৈ সম্ভাব্য অধিক পলমৰ বাবে ক্ষতিপূৰণ দিব পৰা যায়।

গ) বেঙ্কে গ্ৰাহকক আন যিকোনো যুক্তিসঙ্গত মাচুলৰ বাবেও (পাঁচশ টকা পৰ্যন্ত) ৰচিদ দেখুওৱাৰ পাছত ক্ষতিপূৰণ দিব, যাক তেওঁ ডুপ্লিকেট চেক/ইন্সট্রুমেন্ট প্ৰাপ্ত কৰাৰ বাবে খৰচ কৰিবলগীয়া হৈছিল, যদিহে সেই ইন্সট্রুমেন্ট এনে বেঙ্ক/সংস্থাৰ পৰা প্ৰাপ্ত কৰা হৈছিল যি ডুপ্লিকেট ইন্সট্রুমেন্ট জাৰি কৰাৰ বাবে মাচুল লয় ।

৯. ইন্সট্রুমেন্টৰ অস্বীকৃতি

যদিহে কলেকশ্যনৰ বাবে গ্ৰহণ কৰা চেক এখন পৰিশোধ নকৰাকৈ ঘূৰাই দিয়া হয়, তেন্তে বেঙ্কে চেকখনৰ মূল্য ততালিকে গ্ৰাহকৰ একাউন্টত ডেবিট কৰি দিব । গ্ৰাহকৰ সৈতে থকা বিভিন্ন ব্যৱস্থা অনুযায়ী বেঙ্কে এনে কালছোৱাৰ বাবে সুদ উচল কৰিব যেতিয়া বেঙ্ক ফাণ্ড বিহীন হৈ আছিল আৰু প্ৰতি ইন্সট্রুমেন্টৰ হাৰত যি গ্ৰাহকৰ বাবে প্ৰত্যৰ্পণ মাচুলৰূপে প্ৰযোজ্য ।

ডেবিট কৰা তাৰিখৰ পৰা দুটা কামৰ দিনৰ ভিতৰত ৰিটাৰ্ন মেমোৰ সৈতে আৰু লেনদেন পৰ্যায়ৰ বিৱৰণ থকা ৰিটাৰ্ন ষ্টেটমেন্টৰ সৈতে গ্ৰাহকৰ সৈতে থকা ব্যৱস্থাৰ ভিত্তিত বেঙ্কে ৰিটাৰ্ন চেক গ্ৰাহকক গঁতাই দিব বা গ্ৰাহকলৈ পঠিয়াই দিব ।

১০. অপ্ৰত্যাশিত শক্তি

বেঙ্ক বিলম্বিত ক্রেডিটৰ বাবে গ্ৰাহকক ক্ষতিপূৰণ দিবলৈ দায়ী হৈ নৰব যদিহে কোনো অপ্ৰত্যাশিত ঘটনা ঘটে, যাৰ ভিতৰত পৰিব পাৰে, কিন্তু ইয়াতে সীমিত নহয় : - নাগৰিক বিক্ষোভ, উপদ্ৰৱ, হৰতাল, বন্ধ বা বনুৱাৰ আন অশান্তি, দুৰ্ঘটনা, অগ্নিকাণ্ড, প্ৰাকৃতিক দুৰ্যোগ বা অন্য ''দৈৱিক ঘটনা'', যুদ্ধ, বেঙ্কৰ বা ইয়াৰ কৰ্মচাৰীৰ সুবিধাৰ ক্ষতিসাধন, আদান-প্ৰদানৰ সাধাৰণ মাধ্যমৰ অনুপস্থিতি বা সকলো প্ৰকাৰৰ পৰিবহনৰ অভাৱ ইত্যাদি, যিবিলাক বেঙ্কৰ নিয়ন্ত্ৰণৰ ভিতৰত নাই তথা যিবিলাকে বেঙ্কক নিৰ্ধাৰিত সেৱা প্ৰদানৰ মানদণ্ডৰ ভিতৰত ইয়াৰ বাধ্যবাধকতা সম্পন্ন কৰাত বাধা দিয়ে ।

সেৱা মাচুল

খোলা সকলো নতুন একাউণ্টত বিভিন্ন প্রকাৰৰ সেৱা আৰুগ্রহণ কৰা যিকোনো সেৱাৰ বাবে বেঙ্কে আদায় কৰা মাচুলৰ বিতংবিৱৰণ থকা পত্রিকা এখন অন্তর্ভুক্ত থাকিব। যিকোনো সময়তে চোৱাৰ বাবে শাখাত সকলো গ্রাহকৰ বাবে শেহতীয়া সেৱা আৰু মাচুলৰ পত্রিকা উপলব্ধথাকিব। সেৱা আৰু মাচুলত কৰা যিকোনো পৰিৱর্তনৰ বিষয়ে পৰিৱর্তনটো প্রযোজ্য হোৱাৰ এক মাহ আগতে সকলো গ্রাহকক অৱগত কৰা হ'ব।

লেতেৰা / উৱলি যোৱা নোটৰ বিনিময়

বেঙ্কে বিনিময়ৰ বাবে গ্রাহক / অনা-গ্রাহকৰ পৰা লেতেৰা / উৱলি যোৱা নোট গ্রহণ কৰে। এনে নোটৰ গ্রহণযোগ্যতাৰ প্রক্রিয়াটো ভাৰতীয় ৰিজার্ভ বেঙ্কৰ নোট পৰিশোধ নিয়ম আৰু পালনৰ বাবে সকলো শাখাত বিতৰণ কৰা অনুসৰি হ'ব। বেঙ্কৰ সকলো শাখাই লেতেৰা নোটৰ বিনিময়, উৱলি যোৱা আৰু ফটা নোটৰ বিনিময়, অচল পইচা সহ পইচাৰ সলনি নোট বা পইচাৰ বিনিময় সুবিধা প্রদান কৰে। বিনিময়ৰ প্রক্রিয়াটো ভাৰতীয় ৰিজার্ভ বেঙ্কৰ নোট পৰিশোধ নিয়ম অনুসৰি হ'ব।

এক্সিএম কার্ড / ডেবিট কার্ড হট লিষ্টিং

বেঙ্কে ইয়াৰ ফোন বেঙ্কিং চেনেল যোগে দিনৰ ২৪ ঘণ্টাই আৰু শাখাৰ চেনেলৰ কর্মসময়ৰ ভিতৰত গ্রাহকসকলৰ পৰা এটিএম কার্ড / ডেবিট কার্ড হট লিষ্টিং নির্দেশনা গ্রহণ কৰিব। কার্ড জাৰি কৰাৰ সময়ত ফোন বেঙ্কিং নম্বৰবোৰ উপলব্ধকৰা হয় আৰু সকলো শাখাতে নম্বৰবোৰ সহ পত্রিকা উপলব্ধথাকে।

পেঞ্চন একাউণ্ট

বেঙ্কে পেঞ্চনাৰ সকলৰ বাবে কিছুমান সুবিধা সহ এক বিশেষ আঁচনি আগবঢ়ায়। আঁচনিখন সুবিধাবোৰৰ বিৱৰণ সকলোবোৰ শাখাত উপলব্ধ আছে।

মৌলিক সঞ্চয় বেঙ্ক জমা একাউণ্ট

বেঙ্কে শূন্য প্রাৰম্ভিক পৰিশোধ আৰু শূন্য বেলেঞ্চ একাউণ্ট সহ সকলো মৌলিক বেঙ্কিং সুবিধাৰ সৈতে এক মৌলিক সঞ্চয় বেঙ্ক জমা একাউণ্ট আগবঢ়ায়। আঁচনিখন সুবিধাবোৰৰ বিৱৰণ সকলোবোৰ শাখাত উপলব্ধআছে।

বিদেশী মুদ্রা সেৱা

বেঙ্কে ইয়াৰ কিছুমান শাখাৰ জৰিয়তে সকলো গ্রাহকলৈ এক বিশাল পৰিসৰৰ বিদেশী মুদ্রা আঁচনি সেৱা প্রদান কৰে।

সকলো বিদেশী মুদ্রাৰ লেনদেন বিদেশী মুদ্রা প্রৱন্ধন অধিনিয়ম ১৯৯৯ৰ (FEMA) অধীনৰ নিয়ম আৰুনীতি অনুসৰি সম্পাদন কৰা হয়।

বিভিন্ন বেঙ্কিং লেনদেনৰ বাবে সময়সীমা

সকলো শাখাতে সকলো প্রকাৰৰ লেনদেনৰ বাবে লেনদেন সংসধন সময় উপলব্ধ।

নিম্নলিখিত সময়সীমা সমূহ আনুমানিক আৰু ই প্রতিটো শাখা / স্থানৰ কামৰ পৰিমাণ আৰু শীর্ষ / অ-শীর্ষ সময়ৰ ওপৰত ভিত্তি কৰি পৰিৱর্তনৰ সাপেক্ষে।

নং.	লেনদেনৰ নাম	লগা সময়
১	টেলাৰ কাউণ্টাৰত নগদ ধন জমা	৩ ৰ পৰা ৫ মিনিট
২	টেলাৰ কাউণ্টাৰত নগদ ধন উলিওৱা	৩ ৰ পৰা ৫ মিনিট
৩	ডিমাণ্ড ড্রাফট/মেনেজাৰৰ চেক জাৰি কৰা	৭ ৰ পৰা ১০ মিনিট

৪	ডিমাণ্ড ড্রাফট/মেনেজাৰৰ চেক পৰিশোধ	৭ ৰ পৰা ১০ মিনিট
৫	ফিক্সড ডিপজিট ভঙ্গ	৫ মিনিট
৬	নতুন একাউণ্ট এটা খোলা	১০ ৰ পৰা ১৫ মিনিট
৭	চেক সংগ্রহ	
ক	স্থানীয়	সংশ্লিষ্ট ক্লিয়াৰিং হাউছৰ নিয়ম অনুসৰি
খ	শাখাৰ স্থানত ড্র কৰা বহি:কেন্দ্র	স্থানৰ ওপৰত নির্ভৰ কৰি ৭ৰ পৰা ১৪ দিন
গ	আমাৰ সহযোগী বেঙ্ক সম্পর্ক থকা শাখা নথকা স্থানত ড্র কৰা বহি:কেন্দ্র	সর্বাধিক ১৪ কর্ম দিন
ঘ	আমাৰ সহযোগী বেঙ্ক সম্পর্ক নথকা শাখা নথকা স্থানত ড্র কৰা বহি:কেন্দ্র	সর্বাধিক ১৪ কর্ম দিন
ঙ	বিদেশী	মূল্য তাৰিখৰ পৰা ২ৰ পৰা ১৬ আন্তর্জাতিক কর্মদিন

*মূল্য তাৰিখ হৈছে বেঙ্কৰ নষ্ট্রো একাউণ্টত ক্রেডিট হোৱা তাৰিখ